# NEWS BULLETIN

ALL INDIA RADIO, GUWAHATI

0000000000

**Date :** 02-02-2023

**Time :** 18-00 hrs

# Assamese Evening Bulletin

:::::: :::::::: :::::::: :::::::: ::::::::::

কেন্দ্ৰীয় বন্দৰ, জাহাজ চলাচল, জলপথ আৰু আয়ুষ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে জি-টুৱেণ্টি সদস্য ৰাষ্ট্ৰৰ প্ৰতিনিধি বৰ্গক বহনক্ষম জীৱন শৈলীক গণ আন্দোলনৰ ৰূপ দিয়াৰ বাবে যৌথভাৱে কাম কৰিবলৈ আহ্বান জনাইছে। ভাৰতৰ জি-টুৱেণ্টিৰ অধ্যক্ষতাৰ অংশ হিচাপে আজি গুৱাহাটীত আয়োজিত বহনক্ষম বিত্ত কাৰ্যগোটৰ প্ৰথমখন সন্মিলনৰ উদ্বোধনী অনুষ্ঠানত ভাষণ দি মন্ত্ৰীগৰাকীয়ে এইদৰে আহ্বান জনায়। তেওঁ কয় যে বিশ্বই পৰিষ্কাৰ আৰু সেউজ সমাজৰ হকে কাম কৰা উচিত। তেওঁ লগতে কাৰ্বন নিৰ্গমনৰ পৰিমাণ কম কৰাৰ বাবে সকলোৰে প্ৰতি  আহ্বান জনায়। ভাৰতে ৰাষ্ট্ৰীয় বিকাশৰ হকে বহনক্ষম উন্নয়নৰ প্ৰক্ৰিয়া আকোৱালি লৈছে বুলি শ্ৰী সোণোৱালে প্ৰকাশ কৰে। সংবাদ মাধ্যমৰ সৈতে হোৱা কথা-বতৰাত মন্ত্ৰীগৰাকীয়ে কয় যে বিশ্বক দেশৰ চহকী ঐতিহ্যৰ সৈতে পৰিচয় কৰি দিয়াৰ বাবে জি-টুৱেণ্টি ৰাষ্ট্ৰগোষ্ঠীৰ অধ্যক্ষতা আমাৰ বাবে গৌৰৱৰ বিষয়। তেওঁ কয় যে জলবায়ু পৰিৱৰ্তনে মানৱ জাতিৰ বাবে জটিল পৰিস্থিতিৰ সৃষ্টি কৰিছে আৰু এই আলাপ আলোচনাৰ জৰিয়তে নিশ্চিতভাৱে জলবায়ু পৰিৱৰ্তন সমস্যা সমাধানৰ পথৰ অন্বেষণ কৰিব পৰা যাব। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কয় যে এই দুদিনীয়া বৈঠকত জলবায়ু পৰিৱৰ্তনৰ সমস্যাৰ সন্মুখীন হোৱা ক্ষেত্ৰত দেখা দিয়া বিত্তীয় জটিলতা চিনাক্ত কৰা আৰু বিশ্বৰ জনসাধাৰণৰ কল্যাণৰ বাবে সমবিকাশ সুনিশ্চিত কৰিবলৈ প্ৰয়াস চলোৱা হ'ব। বৈঠকত এই মহান কাৰ্যৰ বাবে ধন সংগ্ৰহৰ স্থায়ী উৎসৰ বিশদ পৰিকল্পনা যুগুতাই উলিওৱা হ'ব বুলিও শ্ৰী সোণোৱালে প্ৰকাশ কৰে। জি-টুৱেণ্টি ৰাষ্ট্ৰগোষ্ঠীৰ সদস্য দেশ, অতিথি ৰাষ্ট্ৰ আৰু বিভিন্ন আন্তঃৰাষ্ট্ৰীয় সংস্থাৰ শতাধিক

প্ৰতিনিধিয়ে বৈঠকত অংশগ্ৰহণ কৰিছে। দুদিনীয়া কাৰ্যসূচীৰে আয়োজিত এই বৈঠকৰ চাৰিটা সত্ৰত জলবায়ু পৰিৱৰ্তনৰ সমস্যাৰ সন্মুখীন হোৱাৰ বাবে সময়মতে পৰ্যাপ্ত উৎস, বহনক্ষম উন্নয়নৰ বাবে পুঁজি সংগ্ৰহ আৰু বহনক্ষম উন্নয়নৰ সমগ্ৰ তন্ত্ৰৰ বাবে সামৰ্থ্য বৃদ্ধি আদি বিষয় লৈ আলোচনা কৰা হ'ব। এই দুদিনীয়া বৈঠকৰ সময়ত যোগ-সত্ৰসহ অসমৰ চহকী ঐতিহ্য আৰু পৰম্পৰাৰ সৈতে পৰিচয় কৰাই দিয়াৰ উদ্দেশ্যে প্ৰতিনিধি বৰ্গক সাংস্কৃতিক অনুষ্ঠানলৈ আমন্ত্ৰণ জনোৱা হৈছে।

ooooo

শিক্ষা মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে দ্বিতীয় পৰ্য্যায়ৰ গুণোৎসৱৰ লগত সংগতি ৰাখি আজি কামৰূপ মহানগৰ জিলাৰ অন্তৰ্গত ক্ৰমে নৱযুগ প্ৰাথমিক বিদ্যালয়, আমবাৰী উচ্চ মাধ্যমিক বিদ্যালয়, চম্পাৱতী

হাইস্কুল আৰু বাথৌপুৰী বড়ো হাইস্কুল পৰিদৰ্শন কৰে। শিক্ষামন্ত্ৰীগৰাকীয়ে পৰিদৰ্শনকালত বিদ্যালয়সমূহৰ শৈক্ষিক, আন্তঃগাঁথনি, পৰিষ্কাৰ-পৰিচ্ছন্নতাৰ ওপৰত শিক্ষাৰ্থীসকলৰ সৈতে মত-বিনিময় কৰি বিভিন্ন দিশ সন্দৰ্ভত বুজ লয়। ডাঃ পেগুৱে প্ৰধানকৈ বিজ্ঞান, গণিত আৰু ইংৰাজী বিষয়ৰ ওপৰত ছাত্ৰ-ছাত্ৰীসকলে আহৰণ কৰা জ্ঞান সন্দৰ্ভত মত-বিনিময় কৰে। তেওঁ যিসকল ছাত্ৰ-ছাত্ৰীয়ে এই বিষয়সমূহত অসুবিধাৰ সন্মুখীন হৈছে তেওঁলোকক লৈ শিক্ষকসকলক অতিৰিক্ত পাঠদান কৰাবলৈ নিৰ্দেশ দিয়ে। ইয়াৰ উপৰি শিক্ষা মন্ত্ৰীগৰাকীয়ে অভিভাৱক তথা বিদ্যালয় পৰিচালনা সমিতিসমূহৰ লগতো বাৰ্তালাপ কৰে। তেওঁ কয় যে, এখন বিদ্যালয়ৰ উন্নতি আৰু প্ৰগতিৰ বাবে প্ৰতিগৰাকী নাগৰিকে দৃষ্টি ৰখাৰ প্ৰয়োজন আছে। ডাঃ পেগুৱে পৰিদৰ্শনকালত বিদ্যালয়সমূহত অভিভাৱক আৰু শিক্ষকসকলৰ মাজত নিয়মীয়া বৈঠক সন্দৰ্ভতো বুজ লয়।

ইফালে, গোলাঘাট জিলাতো কালিৰ পৰা দ্বিতীয় পৰ্য্যায়ৰ গুণোৎসৱৰ কাৰ্য্যসূচী অনুষ্ঠিত হৈছে। জিলাখনৰ প্ৰথম শ্ৰেণীৰ পৰা নৱম শ্ৰেণীলৈ মুঠ ১ লাখ ২১ হাজাৰ ২৬৯ গৰাকী শিক্ষাৰ্থীক সামৰি এহেজাৰ ৪৪৯ খন বিদ্যালয়ত গুণোৎসৱ আয়োজিত হৈছে। গোলাঘাট জিলাৰ উপায়ুক্ত ডাঃ পি উদয় প্ৰবীণে জিলাখনৰ বগীধলা বাগান প্ৰাথমিক বিদ্যালয় পৰিদৰ্শন কৰি গুণোৎসৱ কাৰ্য্যসূচীত অংশগ্ৰহণ কৰে। তেওঁ বিদ্যালয়খনৰ শৈক্ষিক দিশ তথা আন্তঃগাঁথনি, পৰিষ্কাৰ-পৰিচ্ছন্নতা সম্পৰ্কে বুজ লোৱাৰ লগতে ছাত্ৰ-ছাত্ৰীৰ সৈতে মত-বিনিময় কৰে। গোলাঘাট জিলাৰ বিদ্যালয়সমূহৰ পৰিদৰ্শক ড০ সমীৰণ বৰাই গুণোৎসৱ উপলক্ষে দণ্ডধৰ বালিকা উচ্চ মাধ্যমিক বিদ্যালয় পৰিদৰ্শন কৰে।

একেদৰে, যোৰহাটত কালিৰে পৰা দ্বিতীয় পৰ্য্যায়ৰ গুণোৎসৱৰ কাৰ্য্যসূচী অনুষ্ঠিত হৈছে। এ পি ডি চি এলৰ অধ্যক্ষ জিষ্ণু বৰুৱাই চেনিয়ামগুৰি হাইস্কুল পৰিদৰ্শন কৰি গুণোৎসৱৰ কাৰ্য্যসূচীত অংশগ্ৰহণ কৰে।

০০০০০

জি-টুৱেণ্টি বৈঠকৰ সৈতে সংগতি ৰাখি প্ৰশাসনৰ সহযোগত ডিব্ৰুগড় বিশ্ববিদ্যালয়ে অহা ৪ ফেব্ৰুৱাৰীত চাইক্লথনৰ আয়োজন কৰিছে। ডিব্ৰুগড় বিশ্ববিদ্যালয় খেলপথাৰৰ পৰা পুৱা ৫ বাজি ৩০ মিনিটত এই চাইক্লথন শুভাৰম্ভ কৰা হ'ব।

০০০০০

চলিত বৰ্ষৰ পৰাই নগাঁও চিকিৎসা মহাবিদ্যালয়ত পাঠদান আৰম্ভ হ'ব। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই জিলাখনৰ ম'হখুলিত নিৰ্মিয়মান চিকিৎসা মহাবিদ্যালয়খন আজি পৰিদৰ্শন কৰি এই কথা প্ৰকাশ কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে মহাবিদ্যালয়খন পৰিদৰ্শন কৰি নিৰ্মাণ কাৰ্য্য সন্দৰ্ভত বুজ লয়। মুখ্যমন্ত্ৰীগৰাকীৰ পৰিদৰ্শন কালত জলসম্পদ মন্ত্ৰী পীযুষ হাজৰিকা, স্বাস্থ্য মন্ত্ৰী কেশৱ মহন্ত, বিধায়ক ৰূপক শৰ্মা, জিতু গোস্বামীয়ে সংগ দিয়ে।

০০০০০

মেঘালয় বিধানসভা নিৰ্বাচনৰ বাবে ভাৰতীয় জনতা পাৰ্টীয়ে ৬০ জনীয়া প্ৰাৰ্থীৰ তালিকা ঘোষণা কৰিছে। ৰাজ্যখনত ৩১ জানুৱাৰীত মনোনয়ন দাখিল প্ৰক্ৰিয়া আৰম্ভ হৈছে আৰু ৭ ফেব্ৰুৱাৰীত মনোনয়ন দাখিলৰ অন্তিম দিন ধাৰ্য কৰা হৈছে।

০০০০০

সমাপ্ত